**[২০১০] ৪ এছ. চি. আৰ. 325**

**মেচাৰ্চ মাৰুতি ক্লীন ক'ল পাৱাৰচ লিমিটেড**

**বনাম**

**আলোক নিগম আৰু অন্যান্য**

**(আন্তঃকালীন আবেদন নং– ৩/২০০৯)**

**(বিশেষ অনুমতিৰ আবেদন (দেৱানী) নং ২০২৩৮/২০০৬)**

৩১ মাৰ্চ, ২০১০

**(কে. জি. বালাকৃষ্ণণ, ভাৰতৰ মুখ্য ন্যায়াধীশ, জে. এম. পাঞ্চাল আৰু ড° বি. এচ. চৌহান, ন্যায়াধীশসকল)**

*অন্তৰ্ৱতীকালীন আদেশ সমূহ :-*

*আন্তঃকালীন আবেদন – কয়লা যোগান আৰম্ভ কৰিবলৈ চাউথ ইষ্টাৰ্ণ ক'ল ফিল্ড লিমিটেডলৈ (এচ ই চি এল) অন্তৰ্ৱতীকালীন নিৰ্দেশনা জাৰি কৰা বাবে আৰু তেওঁলোকৰ পৰা পোৱা নিৰ্দেশনা/অনুৰোধৰ ভিত্তিত সংযুক্ত আৰু অন্যান্য গ্ৰাহকৰ হৈ আবেদনকাৰীৰ ৰাশ্বাৰীৰ জৰিয়তে চলাচলৰ পাৰপত্ৰ/বিলিকৰণৰ আদেশ প্ৰদান কৰা – মঞ্জুৰ কৰা হ'ল – এইটো স্পষ্ট কৰা হৈছে যে এই অন্তৰ্ৱতীকালীন সকাহৰ অনুমোদন উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ থকা স্বত্ব মোকৰ্দমাৰ ফলাফলৰ বিষয় হ'ব – ইয়াৰোপৰি এইটোও স্পষ্ট কৰা হৈছে যে যদিহে স্বত্বৰ বিষয়টোত এচ ই চি এলৰ সপক্ষে সিদ্ধান্ত লোৱা হয়, তেন্তে*

*উক্ত কোম্পানীটোৱে আবেদনকাৰীক ভূমি লিজত দিয়া বা আইন অনুসৰি অন্যান্য পদক্ষেপ লোৱাৰ বাবে মুকলি হ'ব – কয়লা – ক'ল ৱাশ্বাৰী ।*

**ৰাজ্য চৰকাৰে কিছুমান ভূমিৰ সন্দৰ্ভত ৰাজ্যিক ঔদ্যোগিক উন্নয়ন নিগমৰ জৰিয়তে আবেদনকাৰী কোম্পানীটোৰ সপক্ষে ৯৯ বছৰৰ বাবে ০৫–১২–২০০২ তাৰিখে এখন লিজ দলিল ৰূপায়ন কৰিছিল, যাতে আবেদনকাৰীয়ে তাত এটা কয়লা ধোৱাৰ কাৰখানা স্থাপন কৰিব পাৰে । পিছত, মেচাৰ্চ চাউথ ইষ্টাৰ্ণ ক'ল ফিল্ড লিমিটেডে উক্ত ভূমিত স্বত্ব বিচাৰি এটা মোকৰ্দমা দাখিল কৰে। আবণ্টিত ভূমি বনাঞ্চলৰ ভূমি বুলি দোহাই দি আবেদনকাৰীক কয়লা ধোৱাৰ কাৰখানা স্থাপন কৰাৰ পৰা বিৰত ৰাখিবৰ কাৰণে উচ্চ ন্যায়ালয়ত এখন লেখ আবেদনো দাখিল কৰা হৈছিল । উচ্চ ন্যায়ালয়ে আবেদনকাৰীক অট্টালিকা নিৰ্মাণ কাৰ্য অব্যাহত ৰাখিবলৈ অনুমতি দি উক্ত লেখ আবেদনখনৰ ওপৰত এটা অন্তৰ্ৱৰ্তীকালীন আদেশ প্ৰদান কৰিছিল কিন্তু আবেদনকাৰীক উক্ত ভূমিত যন্ত্ৰপাতি আদি স্থাপন কৰাৰ পৰা বাধা প্ৰদান কৰিছিল । আবেদনকাৰীয়ে উচ্চ ন্যায়ালয়ত দাখিল কৰা আপীলৰ বিশেষ অনুমতিৰ আবেদনখনত নিৰ্মাণ কাৰ্য স্থগিত ৰখাৰ বাবে প্ৰদান কৰা অন্তৰ্ৱৰ্তীকালীন আদেশ বাতিল কৰা হৈছিল । যিহেতু আবেদনকাৰীয়ে যন্ত্ৰপাতি সমূহ আৰু কয়লা ধোৱাৰ কাৰখানাটো স্থাপন কৰিছিল কিন্তু কয়লাৰ যোগান কাৰ্য আৰম্ভ হোৱা নাছিল, সেয়েহে কয়লা যোগান আৰম্ভ কৰিবৰ বাবে আৰু আবেদনকাৰীৰ ৱাশ্বাৰীৰ জৰিয়তে চলাচলৰ পাৰপত্ৰ/বিলিকৰণৰ আদেশ জাৰি কৰিবৰ বাবে এচ ই চি এললৈ এটা নিৰ্দেশনা জাৰি কৰাৰ কাৰণে এখন আবেদন দাখিল কৰিছিল ।**

**আবেদনখনৰ ওপৰত আংশিকভাবে অনুমতি দি ন্যায়ালয়ে ৰায় দিয়ে যে–**

**১) নিৰ্মাণ কৰা অট্টালিকা আৰু স্থাপন কৰা যন্ত্ৰপাতি সমূহ বহুদিনৰ পৰা অব্যৱহৃত হৈ থকাৰ ফলত আবেদনকাৰী কোম্পানীটোৰ যথেষ্ট আৰ্থিক লোকচান হৈছে। মন কৰিবলগীয়া যে, আজিৰ তাৰিখলৈ, এনেকুৱা কোনো আদেশ নাই, যিয়ে আবেদনকাৰীক বিতৰ্কিত ৱাশ্বাৰীটো চলোৱাত বাধা দিয়ে । পৰিৱেশ মন্ত্ৰালয়, বিদ্যুৎ বিভাগ, বাণিজ্যিক কৰ বিভাগৰ অনুমোদন, কাৰখানা আইনৰ অধীনৰ অনুজ্ঞাপত্ৰ আদিকে ধৰি ৱাশ্বাৰী চলোৱাৰ বাবে সকলো অনুমোদন লাভ কৰা বুলি আবেদনকাৰীয়ে কৰা দাবীৰ ওপৰত কোনো প্ৰতিবাদীয়ে কোনো ধৰণৰ আপত্তি কৰা নাই। [দফা ৮] [৩৩৩–বি–চি]**

**২) মেচাৰ্চ্চ এচ ই চি এলক কয়লাৰ যোগান আৰম্ভ কৰিবলৈ আৰু অন্যান্য গ্ৰাহকৰ হৈ তেওঁলোকৰ নিৰ্দেশনা/অনুৰোধৰ ভিত্তিত আবেদনকাৰীৰ ৱাশ্বাৰীৰ জৰিয়তে চলাচল পাৰপত্ৰ/বিলিকৰণ আদেশ জাৰি কৰিবলৈ নিৰ্দেশ দিয়া হৈছে । স্পষ্ট কৰা হৈছে যে অন্তৰ্বৰ্তীকালীন সকাহটো উচ্চ ন্যায়ালয়ত বিচাৰাধীন ২০০৮ চনৰ দেৱানী গোচৰ নং ১–এ ৰ ফলাফলৰ অধীনত হ'ব। ইয়াৰ উপৰিও ইয়াকো স্পষ্ট কৰা হৈছে যে যদিহে স্বত্বৰ বিষয়টো মেচাৰ্চ্চ এচ ই চি এলৰ সপক্ষে যায়, তেন্তে উক্ত কোম্পানীটোৱে আবেদনকাৰী কোম্পানীক ভূমি লিজত দিয়া বা উক্ত ভূমিৰ সন্দৰ্ভত আইন অনুসৰি পদক্ষেপ লোৱাটো মুকলি হ'ব। [দফা ৯] [৩৩৩–ই, এফ]**

*টি. এন. গোদাবৰ্মন থিৰুমূলপদ বনাম ভাৰতীয় চৰকাৰ ও অন্যান্য* **(২০০৬) ৫ এচ্ছ চি চি ২৮** গোচৰটি উল্লেখ কৰা হৈছে।

**মাৰুতি ক্লীন ক'ল এণ্ড পাৱাৰচ লিমিটেড বনাম আলোক নিগম আৰু অন্যান্য**

গোচৰ আইন প্ৰসংগ

(২০০৬) ৫ এছ চি চি ২৮ উদ্ধৃত দফা ২

**দেৱানী আপীল অধিকাৰক্ষেত্ৰ : ২০০৯ ৰ আতঃকালীন আবেদন নং ৩**

**এছ এল পি (দেৱানী) নং ২০২৩৮/২০০৬ ত**

বিলাসপুৰৰ চাত্তিশগড় উষ্চ ন্যায়ালয়ৰ ০৯-০৫-২০০৩ তাৰিখৰ ডব্লিও পি (চি) নং ১২৬৪/২০০৩ ত প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা ।

মুকুল ৰহতাগি, ৰঞ্জিত কুমাৰ, বিকাশ সিং, অজিত কুমাৰ সিনহা, সৌৰভ কিৰপাল, আয়ুস আগাৰৱাল, (সুৰেশ এ. শ্ৰফ এণ্ড কোঃ বাবে), অনুৰাগ শৰ্মা, সঞ্জীৱ কে. ভৰদ্বাজ (আৰ. চি. কৌশিকৰ বাবে), অম্ভোজ কুমাৰ সিনহা, ঐশ্বৰ্য্য সিনহা, স্বেতাভ সিনহা উপস্থিত পক্ষসমূহৰ বাবে ।

ন্যায়ালয়ৰ ৰায়টো প্ৰদান কৰিছিল –

**জে. এম. পাঞ্চাল, জে.** ১) এই আন্তঃকালীন আবেদন দাখিল কৰি, মেচাৰ্ছ মাৰুতি ক্লীন ক'ল এণ্ড পাৱাৰচ লিমিটেডে যিয়ে চত্তিশগড় ৰাজ্যই চত্তিশগড় ৰাজ্যিক ঔদ্যোগিক উন্নয়ন নিগম (চমুকৈ 'চি এছ আই ডি চি') ৰ জৰিয়তে লিজত লোৱা গাওঁ ৰতিজা, জিলা কোৰ্বাৰ খচৰা নং ৮৫০/৩০, ৮৫০/২৪, ৮৫০/৩১, ৮৫০/২৮, ৮৫০/২৭ আৰু ৮৫০/৩২ ত ১০ এম. টি. ৱাই. সামৰ্থ্যৰ কয়লা ধোৱাৰ কাৰখানা স্থাপন কৰিছিল, তেওঁলোকে কয়লাৰ যোগান তৎক্ষণাত আৰম্ভ কৰিবলৈ আৰু সকলো গ্ৰাহক/কয়লা ক্ৰেতাৰ পৰা লাভ কৰা নিৰ্দেশনা/অনুৰোধত সংযুক্ত আৰু অন্যান্য গ্ৰাহকৰ হৈ আবেদনকাৰীৰ ৱাশ্বাৰীৰ জৰিয়তে

চলাচলৰ পাৰপত্ৰ/বিলিকৰণ আদেশ জাৰি কৰিবলৈ মেচাৰ্ছ চাউথ ইষ্টাৰ্ণ ক'ল ফিল্ড লিমিটেড (চমুকৈ 'এছ ই চি এল') ক নিৰ্দেশ দিবলৈ প্ৰাৰ্থনা জনাইছে ।

২) আবেদনকাৰীয়ে জনোৱা প্ৰাৰ্থনাৰ পৰিসৰ আৰু পৰিধি বুজিবলৈ হ'লে কিছুমান তথ্য লক্ষ্য কৰাটো প্ৰাসংগিক হ'ব ।মেচাৰ্ছ মাৰুতি ক্লীন ক'ল পাৱাৰচ লিমিটেড হৈছে কোম্পানী আইনৰ অধীনৰ বিধান অনুসৰি পঞ্জীয়নভুক্ত এটা কোম্পানী । ইয়াত বছৰি ১০ মিলিয়ন টন কয়লা ধুব পৰাকৈ কয়লা লাভান্বিতকৰণ প্ৰকল্প স্থাপনৰ বাবে কোৰ্বা জিলাৰ (চমুকৈ 'ভূমি') নৱাগাওঁ, খুৰ্ড গাঁৱৰ ( বৰ্তমান ৰতিজা) প্ৰায় ১৫ হেক্টৰ (৩৭.৯১ একৰ) ভূমি আবণ্টনৰ বাবে আবেদন কৰিছিল । দাবী কৰা ভূমিখিনি ইতিমধ্যে অৱস্থিত দুটা কয়লা ধোৱা ঘৰৰ নিকটৱৰ্তী আছিল যাৰ ভিতৰত এটা এছ টি – চি এল আইয়ে স্থাপন কৰিছিল, য'ত আৰিয়ন ক'ল বেনিফিচিয়েচন প্ৰাইভেট লিমিটেডৰ ২৬% সম্পত্তি/সাহন আছে আৰু আনটো কয়লা ধোৱা প্ৰকল্প আৰিয়ন নিজেই । ৰাজ্যৰ ৰাজহ, বন আৰু উদ্যোগ বিভাগৰ বিষয়াসকলে আবেদনকাৰীয়ে দাবী কৰা ভূমিৰ সম্যক পৰিদৰ্শন কৰে । দাবী কৰা ভূমিখিনি বনভূমি নহয় বুলি আৰু আবেদনকাৰীয়ে পৰিৱেশ আইনৰ প্ৰয়োজনীয়তা সমূহ মানি চলা বুলি সন্তুষ্ট হোৱাৰ পিছত বিষয়াসকলে ৰাজ্যক আবেদনকাৰীক ভূমি আবণ্টন দিবলৈ পৰামৰ্শ দিয়ে। উক্ত পৰামৰ্শ অনুসৰি চত্তিশগড় ৰাজ্যই চি এছ আই ডি চিৰ জৰিয়তে আবেদনকাৰীৰ সপক্ষে ২০০২ চনৰ ৫ ডিচেম্বৰ তাৰিখে ৯৯ বছৰৰ বাবে এখন লিজ দলিল কাৰ্যকৰী কৰে । যি উদ্দেশ্যেৰ বাবে লিজ দলিলখন কাৰ্যকৰী কৰা হৈছিল সেয়া আছিল আবেদনকাৰীক এটা কয়লা ধোৱা কাৰখানা স্থাপন কৰিবলৈ সক্ষম কৰি তোলা। সেই বলিজ দলিল অনুসৰি আবেদনকাৰীক ভূমিৰ দখলত ৰখা হৈছিল । যি কি নহওঁক, পৰৱৰ্তী পৰ্যায়ত এছ ই চি

এলে ভূমিখিনিৰ ওপৰত অধিকাৰ দাবী কৰিছিল আৰু অভিযোগ উত্থাপিত কৰিছিল যে ভূমিখিনি ৰাজ্য চৰকাৰৰ নহয় আৰু সেয়েহে ৰাজ্যখনে আবেদনকাৰীক লিজত দিব নোৱাৰে।

২০০৩ চনৰ মাৰ্চ/এপ্ৰিল মাহত শ্ৰী বি. এল. ৱাধেৱা নামৰ এজন জন-উদ্যমী নাগৰিকে বিলাসপুৰৰ চত্তিশগড় উচ্চ ন্যায়ালয়ত ডব্লিউ পি (চি) নং ১২৬৪/২০০৩ উপস্থাপন কৰে যাতে ৰাজ্য চৰকাৰৰ দ্বাৰা আবেদনকাৰীক আবণ্টিত হোৱা ভূমি বনভূমি বুলি ভিত্তি কৰি উক্ত ভূমিত আবেদনকাৰীয়ে কয়লা ধোৱা কাৰখানা স্থাপন কৰিব নোৱাৰে । ২০০৩ চনৰ ২৪ এপ্ৰিলৰ এটা একপক্ষীয় আদেশৰ জৰিয়তে উচ্চ ন্যায়ালয়ে আবেদনকাৰীক তেওঁক আবণ্টিত ভূমিৰ সন্দৰ্ভত যথাৰ্থ অৱস্থা বজাই ৰাখিবলৈ আৰু পৰৱৰ্তী আদেশ নিদিয়ালৈকে উক্ত ভূমিত থকা গছ-গছনি নাকাটিবলৈ নিৰ্দেশ দিছিল । এছ ই চি এল আৰু ৰাজ্য চৰকাৰৰ মাজত হোৱা ভূমিৰ স্বত্ব সম্পৰ্কীয় বিবাদৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় চৰকাৰে কয়লা মন্ত্ৰালয়ৰ জৰিয়তে প্ৰেৰণ কৰা ২০০৩ চনৰ ৭ মে' তাৰিখৰ পত্ৰৰ ওপৰত আবেদনকাৰীৰ দুটা মতামত আছিল - (১)স্বত্বৰ বিষয়টোৰ ওপৰত সিদ্ধান্ত লোৱা সময়লৈকে অপেক্ষা কৰা; নাইবা (২)স্বত্বদটো এছ ই চি এলৰ ওপৰত নিৰ্ভৰশীল বুলি ধৰি লৈ আগুৱাই যোৱা আৰু সেই ভিত্তিত এছ ই চি এলক আবেদনকাৰীক ভূমি আবণ্টন দিবলৈ অনুৰোধ কৰা । উক্ত পত্ৰখনত এইটোও উল্লেখ কৰা হৈছে যে যদিহে আবেদনকাৰীয়ে দ্বিতীয় বিকল্পটি বাছি লয় তেন্তে ক'ল ইণ্ডিয়া লিমিটেড আৰু এছ ই চি এলক মন্ত্ৰালয়ে ভূমিখিনি আবেদনকাৰীক লিজত দিয়াৰ বাবে আবেদন কৰিব । অভিলেখত (Record) দেখা গৈছে যে ২০০৩ চনৰ ৯ মে' ৰ পত্ৰযোগে আবেদনকাৰীয়ে দ্বিতীয়টো বিকল্প বাছি লৈছে । আবেদনকাৰীয়ে স্হগিতাদেশৰ বাতিলৰ বাবে এখন আবেদনো দাখিল কৰে । ২০০৩ চনৰ ৯ মে' ৰ আদেশৰ জৰিয়তে উচ্চ ন্যায়ালয়ে পূৰ্বৰ আদেশ সংশোধন কৰি আবেদনকাৰীক মূল ভৱনটোৰ নিৰ্মাণৰ কাম আগবঢ়াই নিবলৈ

অনুমতি দিয়ে যদিও যন্ত্ৰপাতিসমূহ স্থাপন কৰাত বাধা আৰোপ কৰে। ইফালে, ২০০৩ চনৰ ২৭ জুন তাৰিখে এছ ই চি এলে কয়লা মন্ত্ৰালয়লৈ এখন পত্ৰ লিখি কয় যে ভূমিখিনি আবেদনকাৰীক লিজত দিয়াত এছ ই চি এলৰ কোনো আপত্তি নাই যদিহে আবেদনকাৰীয়ে ভূমিখিনি এছ ই চি এলৰে আছিল আৰু এতিয়াও এছ ই চি এলৰে বুলি মানি লোৱা চৰ্তকে ধৰি অন্য কিছু চৰ্তাৱলী গ্ৰহণ কৰাত মান্তি হয়। ২০০৩ চনৰ ৯ মে' ৰ আদেশত অসন্তুষ্টি প্ৰকাশ কৰি শ্ৰী বি. এল. ৱাধেৰাই ২০০৩ চনৰ এচ এল পি (চি) নং ২২৫৩১ দাখিল কৰে। ২০০৩ চনৰ ২৪ নৱেম্বৰৰ আদেশৰ জৰিয়তে আদালতে উক্ত ভূমিত হ'বলগীয়া আগন্তুক নিৰ্মাণৰ কাম স্থগিত ৰাখে। পৰৱৰ্তী সময়ত, এচ এল পিৰ লগত ক্ৰমে শ্ৰী ৱাধেৰা আৰু শ্ৰী দীপক আগৰৱালে দাখিল কৰা ২০০৩ চনৰ আই এ নং ৮৫৭-৮৫৮ গাঁঠি দিয়ে। আদালতে ২০০৬ চনৰ ১০ এপ্ৰিলত টি. এন. গোদাবৰ্মন থিৰুমূলপদ বনাম ভাৰতীয় চৰকাৰ আৰু অন্যান্য (২০০৬) ৫ এচচিচি ২৮ ৰ ওপৰত কৰা ৰায়দানৰ জৰিয়তে শ্ৰী দীপক আগৰৱালৰ আবেদন খাৰিজ কৰি পৰ্য্যৱেক্ষণ কৰে যে উক্ত আবেদনখন অসৎ উদ্দেশ্যৰে দাখিল কৰা হৈছে। আগন্তুক নিৰ্মাণৰ কাম স্থগিত ৰখাৰ বাবে অন্তৰ্ৱতীকালীন আদেশ উঠাই দিয়া হয়। উক্ত আদালতে ৰায় ঘোষণা কৰাৰ সময়ত আবেদনকাৰীয়ে চত্তিশগড় উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ থকা লেখ আবেদনখন খাৰিজ কৰাৰ প্ৰাৰ্থনাৰে আন এখন আবেদন দাখিল কৰে। অভিলেখত দেখা গৈছে যে উক্ত আবেদনখনৰ শুনানি আন দুখন সংযুক্ত আবেদনৰ সৈতে কৰা হৈছিল আৰু ৰায় সংৰক্ষিত আছিল। অৱশ্যে, এই ৰায় উচ্চ ন্যায়ালয়ে দিব পৰা নাছিল। সেয়েহে আবেদনকাৰীয়ে ২০০৩ চনৰ ২৩ এপ্ৰিল আৰু ২০০৩ চনৰ ৯ মে' তাৰিখৰ অন্তৰ্ৱতীকালীন আদেশ উঠাই লোৱাৰ বাবে আবেদন দাখিল কৰে। পঞ্জীয়কে উক্ত আবেদনখনক তালিকাভূক্ত কৰাত এই ভিত্তিত নাকচ কৰিছিল যে মূল

বিষয়টোৰ ওপৰত ৰায় সংৰক্ষিত আছিল। ইফালে, আবেদনকাৰীয়ে মূল ভৱনটোৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰে। ইতিমধ্যে, স্থাপন কৰিবলগীয়া যন্ত্ৰপাতিসমূহ ক্ৰয়ৰ নিৰ্দেশ দিয়া হৈছিল।

৩) ২০০৪ চনৰ ৯ ডিচেম্বৰ তাৰিখে এছ ই চি এলে চত্তিশগড় ৰাজ্যৰ বিৰুদ্ধে দেৱানী গোচৰ নং ৯০-এ দাখিল কৰে আৰু অন্যান্য বিষয়ৰ লগতে আবেদনকাৰীয়ে কয় যে চি এছ আই ডি চিৰ জৰিয়তে চত্তিশগড় ৰাজ্যই কোম্পানীটোক আবন্টন দিয়া ভূমি এছ ই চি এলক গতাই দিয়া হৈছে আৰু এছ ই চি এলেই উক্ত ভূমিৰ মালিক তথা অধিকাৰী। আবেদনকাৰী কোম্পানীক আবন্টিত ভূমিৰ সৈতে জড়িত কেইবাটাও আন পক্ষই আন নানান মোকৰ্দ্দমা আৰু কাৰ্যবিধি আৰম্ভ কৰিছিল। কয়লা মন্ত্ৰালয়ে ২০০৫ চনৰ ৩০ ডিচেম্বৰৰ পত্ৰযোগে এছ ই চি এলক দফা খ ত উল্লেখ কৰা ২০০৩ চনৰ ৭ মে'ৰ নিৰ্দেশনা কাৰ্যকৰী কৰিবলৈ পৰামৰ্শ প্ৰদান কৰিছিল। ইয়াৰ পিছত, ১০০৬ চনৰ ১৪ জুন তাৰিখে আবেদনকাৰীয়ে এছ ই চি এললৈ এখন পত্ৰ সম্বোধন কৰি আবেদনকাৰীক জমা হ'বলগীয়া লিজৰ ভাড়া (প্ৰিমিয়াম)ৰ বিষয়ে অৱগত কৰিবলৈ কয়। গোচৰৰ অভিলেখত আৰু দেখা গৈছে যে কয়লা মন্ত্ৰালয়ে জাৰি কৰা নিৰ্দেশনা আৰু আবেদনকাৰীয়ে কৰা অনুৰোধৰ পিছতো এছ ই চি এলে আবেদনকাৰীক ভূমি লিজত দিয়াৰ বাবে কোনো পদক্ষেপ গ্ৰহণ কৰা নাছিল। সেয়েহে ২০০৩ চনৰ ৯ মে'ৰ সংশোধিত আদেশৰ দ্বাৰা আবেদনকাৰীয়ে চত্তিশগড় উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ থকা ২০০৩ চনৰ ২৪ এপ্ৰিল তাৰিখৰ ডব্লিউ পি নং ১২৬৪/২০০৩ ৰ আদেশৰ বৈধতাক প্ৰত্যাহ্বান জনাই ২০০৬ চনৰ বিশেষ অনুমতিৰ আবেদন নং ২০২৩৮ দাখিল কৰে। ওপৰত উল্লেখিত বিশেষ অনুমতিৰ আবেদনখনৰ ওপৰত আদালতে জাননী জাৰি কৰিছে আৰু উক্ত এচ এল পি নিষ্পত্তিৰ বাবে বিচাৰাধীন হৈ আছে। তাৰ পিছত, এই আদালতত আবেদনকাৰী কোম্পানীয়ে ২০০৭ চনৰ বদলি আবেদন নং ৫৩ দাখিল কৰি

এই গোচৰ, লেখ আবেদন আৰু/বা আপীলকে ধৰি সকলো সংশ্লিষ্ট বিষয় বিলাসপুৰৰ চত্তিশগড় উচ্চ ন্যায়ালয়ত একেলগে শুনানি কৰোৱাৰ বাবে হস্তান্তৰ কৰিবলৈ নিৰ্দেশ জাৰি কৰিবলৈ আহ্বান জনায় । উক্ত বদলিৰ আবেদন গ্ৰাহ্য কৰা হৈছিল । এই আদালতে প্ৰদান কৰা নিৰ্দেশনা অনুসৰি, দেৱানী গোচৰ নং ২০০৮ ৰ ৯০-এ ৰ পৰা দেৱানী গোচৰ নং ১-এ/২০০৮ লৈ সলনি কৰা হৈছিল। উক্ত গোচৰ তথা আন সকলো সংশ্লিষ্ট লেখ আবেদন, আপীল আদি বিচাৰৰ বাবে বিলাসপুৰৰ চত্তিশগড় উচ্চ ন্যায়ালয়ৰ সন্মুখত বিচাৰাধীন হৈ আছে ।

৪) চত্তিশগড় উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ থকাৰ সময়ত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা কয়লা মন্ত্ৰালয়ৰ সচিবলৈ ২০০৭ চনৰ ২৬ জুন তাৰিখে প্ৰেৰণ কৰা পত্ৰৰ যোগেদি মন্ত্ৰালয়ে আবেদনকাৰী কোম্পানীক কয়লা ধোৱাৰ কাৰখানা স্থাপন কৰাৰ কাৰণে ভূমি লিজত দিবলৈ আদালতৰ অনুমতি বিচাৰি চত্তিশগড় উচ্চ ন্যায়ালয়ৰ সন্মুখত এখন উপযুক্ত আবেদন দাখিল কৰিবলৈ এছ ই চি এলক পৰামৰ্শ আৰু অনুমোদন প্ৰদান কৰে । এই নিৰ্দেশনা সমূহৰ প্ৰতি লক্ষ্য ৰাখি কয়লা মন্ত্ৰালয়ে ২০০৭ চনৰ ৪ জুলাইত এছ ই চি এলৰ মূল/পিতৃ কোম্পানী মেচাৰ্ছ ক'ল ইণ্ডিয়া লিমিটেডলৈ এখন পত্ৰ প্ৰেৰণ কৰি কয় যে উপযুক্ত কৰ্তৃপক্ষৰ সিদ্ধান্তৰ প্ৰতি লক্ষ্য ৰাখি এছ ই চি এলে আবেদনকাৰী কোম্পানীক ভূমি লিজত দিবৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব লাগে । সেয়েহে, মেচাৰ্ছ ক'ল ইণ্ডিয়া লিমিটেডে ২০০৭ চনৰ ৫ জুলাই তাৰিখে এছ ই চি এললৈ এখন পত্ৰ সম্বোধন কৰি আবেদনকাৰী কোম্পানীটোৰ সপক্ষে লিজ দলিল কাৰ্যকৰী কৰাৰ বাবে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। ২০০৭ চনৰ ৯ জুলাইত এছ ই চি এলে চি এম পি ডি আইৰ অধ্যক্ষ-সহ-পৰিচালন সঞ্চালকলৈ এখন পত্ৰ প্ৰেৰণ কৰি লিজত দিবলগীয়া ভূমিৰ মূল্যায়ন কৰিবলৈ অনুৰোধ জনায় । ক'ল

ইণ্ডিয়া লিমিটেডৰ ২০০৭ চনৰ ৫ জুলাই তাৰিখৰ পত্ৰত সন্নিৱিষ্ট থকা নিৰ্দেশৰ প্ৰতি লক্ষ্য ৰাখি ২০০৭ চনৰ ১৬ জুলাই তাৰিখে বিলাসপুৰৰ চত্তিশগড় উচ্চ ন্যায়ালয়ত ২০০৭ চনৰ ডব্লিউ পি নং ৩০৯৪ ত **আবেদন** দাখিল কৰি আবেদনকাৰী কোম্পানীটোৰ সপক্ষে লিজ দলিল কাৰ্যকৰী কৰাৰ কাৰণে অনুমতি বিচাৰিছিল । উক্ত **আবেদন**ত এইটোও উল্লেখ কৰা হৈছিল যে আবেদনকাৰী কোম্পানীয়ে কয়লা ধোৱা কাৰখানা স্থাপন হেতু ভূমি খিনি লিজত ল'বলৈ সন্মত হৈছিল আৰু লিজৰ ধন এছ ই চি এলক দিবলৈও সন্মতি প্ৰদান কৰিছিল । ইয়াৰ পিছত, ২০০৭ চনৰ ৯ আগষ্টত আবেদনকাৰী কোম্পানীটোৰ সপক্ষে লিজ দলিল কাৰ্যকৰী কৰাৰ তিনিটা পূৰ্বৱৰ্তী চৰ্ত উল্লেখ কৰি অতিৰিক্ত শপতনামা দাখিল কৰা হয় । অভিলেখত দেখা পোৱা গৈছে যে আবেদনকাৰী কোম্পানীয়ে সেই চৰ্তাৱলীসমূহ মানি ল'বলৈ ইচ্ছা প্ৰকাশ কৰিছিল যদিও আবেদনকাৰী কোম্পানী আৰু এছ ই চি এলৰ মাজত কোনোধৰণৰ বন্ধকীপত্ৰ কাৰ্যকৰী কৰা নহ'ল । এছ ই চি এলে দাখিল কৰা **স্বত্ব** মোকৰ্দ্দমাত উচ্চ ন্যায়ালয়ে এটা আদেশ গৃহীত কৰি পক্ষসমূহক তেতিয়াৰ বিদ্বান, ভাৰতৰ অতিৰিক্ত চলিচিটৰ জেনেৰেল (Additional Solicitor General of India) শ্ৰী গোপাল সুব্ৰমনিয়াম ডাঙৰীয়াৰ আগত হাজিৰ হৈ নিষ্পত্তিৰ সম্ভাৱনা অন্বেষণ কৰিবলৈ নিৰ্দেশ দিয়ে। কিন্তু অভিলেখে পক্ষসমূহৰ মাজত কোনোধৰণৰ নিষ্পত্তি হোৱা বুলি নুসূচায় ।

৫) উক্ত আবেদনখনৰ জৰীয়তে আবেদনকাৰীয়ে অভিযোগ উত্থাপন কৰিছে যে তেওঁলোকে এটা ১০ মিলিয়ন টনৰ ৱাশ্বাৰী স্থাপন কৰাৰ হেতু ১০০ কোটি টকাৰ ধন ব্যয় কৰিছে । উক্ত আবেদনৰ জৰিয়তে কোৱা হৈছে যে ইতিমধ্যে অট্টালিকাসমূহ নিৰ্মাণ কৰা হৈছে আৰু তাত অত্যাধুনিক ব্যয়বহুল যন্ত্ৰপাতি তথা সজুঁলিসমূহ ক্ৰয় কৰি স্থাপন কৰা হৈছে । আবেদনকাৰীয়ে উল্লেখ কৰিছে যে প্ৰায় দুবছৰ পূৰ্বেও ৱাশ্বাৰীটোত পৰীক্ষা চলোৱা

হৈছিল। আবেদনকাৰীয়ে যে কেৱল বিলিকৰণৰ আগতে আবেদনকাৰীৰ সংযুক্ত আৰু অন্যান্য গ্ৰাহকে ক্ৰয় কৰা কয়লা পৰিবহণৰ বাবে সেই ক্ৰেতাসকলক চলাচল পাৰপত্ৰ/বিলিকৰণ আদেশ জাৰি কৰিবলৈহে ৱাশ্বাৰীটো চলাব পৰা নাই এনে নহয়। আবেদনকাৰীৰ মতে, এছ ই চি এলে চলাচলৰ পাৰপত্ৰ/বিলিকৰণৰ আদেশ সমূহ প্ৰদান কৰাত অস্বীকাৰ কৰাৰ একমাত্ৰ আপাত কাৰণটো হ'ল চত্তিশগড় ৰাজ্য আৰু এছ ই চি এলৰ মাজত হোৱা স্বত্ব সম্পৰ্কীয় বিবাদ। আবেদনকাৰীয়ে উত্থাপন কৰা দাবীটো হ'ল যে কয়লা ধোৱাৰ পূৰ্বে ইয়াৰ পৰিৱেশৰ ওপৰত যথেষ্ট উপকাৰ তথা যোগাত্মক প্ৰভাৱ আছে আৰু ই জনস্বাৰ্থৰ কাৰণেও উপকাৰী আৰু যিহেতুকে কয়লা ধোৱা কাৰখানাৰ যথেষ্ট নাটনি হৈছে, সেয়েহে আবেদনকাৰীৰ কয়লা ধোৱা কাৰখানাটো চলাবলৈ অনুমতি প্ৰদান কৰিব লাগে। এনে পৰিস্থিতিৰ অধীনত আবেদনকাৰীয়ে এই আবেদনপত্ৰ দাখিল কৰিছে আৰু আগতে উল্লেখ কৰা সকাহ বিচাৰিছে।

৬) উত্তৰ দাতা/প্ৰতিবাদীসকলে বিৰোধী শপতনামা দাখিল কৰিছে।

৭) পক্ষসমূহৰ বাবে এই ন্যায়ালয়ে বিদ্বান অধিবক্তাই প্ৰদৰ্শন যুক্তিবোৰ বিশদভাৱে শুনিলে। ন্যায়ালয়ে উক্ত আবেদনৰ অংশ হিচাপে দাখিল কৰা নথি-পত্ৰৰ লগতে ২০০৬ চনৰ এচ এল পি (চি) নং ২০২৩৮ ৰ কথাও বিবেচনা কৰিছে।

৮) আবেদনৰ শুনানিৰ সময়তে আবেদনকাৰীৰ বিদ্বান অধিবক্তাই স্পষ্ট কৰি দিছিল যে আবেদনকাৰী কোম্পানীয়ে এছ ই চি এলৰ পৰা ভূমি লিজত আৰু কোম্পানীটোক তাৰ কাৰণে ভাড়া পৰিশোধ কৰিবলৈ সাজু আছে। অভিলেখত দেখা পোৱা গৈছে যে কেইবাটাও গোচৰ একেলগে সংলগ্ন কৰা হৈছে আৰু ৰাজ্য চৰকাৰে আবেদনকাৰী কোম্পানীটোক লিজত দিয়া ভূমিৰ স্বত্ব সম্পৰ্কীয় দেৱানী গোচৰ নং ১-এ/২০০৮ নিষ্পত্তিৰ বাবে বাকী আছে। আবেদনকাৰীয়ে থিৰাংকৈ কয় যে লিজত লোৱা ভূমিখিনিত ১০ মিলিয়ন টনৰ ৱাশ্বাৰী

স্থাপন কৰিবলৈ প্ৰায় ১০০ কোটি টকা ব্যয় কৰি বহুমূলীয়া যন্ত্ৰপাতি স্থাপন কৰিছে, যাৰ বিষয়ে উত্তৰদাতা/প্ৰতিবাদীসকলে কোনো বিতৰ্ক কৰিব নোৱাৰে । ভূমিৰ ওপৰত আবেদনকাৰী কোম্পানীটোৱে কোনো অধিকাৰ দাবী কৰা নাই তথা কয়লা ধোৱাবৰ কাৰণে তেওঁলোকৰ কোম্পানীলৈ অহা কয়লাও নিজৰ বুলি দাবী কৰা নাই । ক্ৰেতাই কাৰখানালৈ অনা কয়লাবোৰ আবেদনকাৰীয়ে এক বৈজ্ঞানিক পদ্ধতিৰে পৰিষ্কাৰ কৰে । এবাৰ এছ ই চি এলে সৰ্বোচ্চ নিবিদাকাৰীক কয়লা বিক্ৰী কৰিলে আৰু নিবিদাকাৰীয়ে বিক্ৰীৰ মূল্য পৰিশোধ কৰিলে, কয়লাত নিহিত হৈ থকা সম্পত্তিবোৰ ক্ৰেতাৰ হাতলৈ হস্তান্তৰ হৈ যাব আৰু ক্ৰেতাই আন যিকোনো বিচক্ষণ ক্ৰেতাৰ দৰে ক্ৰয় কৰা কয়লাৰ পৰিমাণৰ লগত লেনদেন কৰিবলৈ মুক্ত হ'ব  ইয়াত, কয়লাৰ উত্থাপিত **স্বত্বৰ** প্ৰশ্নক লৈ আবেদনকাৰী কোম্পানীটো একেবাৰে চিন্তিত নহয় । নিৰ্মিত অট্টালিকা আৰু স্হাপিত যন্ত্ৰপাতি সমূহ বহুদিন ধৰি অব্যৱহৃত হৈ থকাৰ ফলত আবেদনকাৰী কোম্পানীটোৰ যথেষ্ট আৰ্থিক ক্ষতি হৈছে । মন কৰিবলগীয়া যে, আজিলৈকে এনে কোনো আদেশ নাই যিয়ে আবেদনকাৰীক বিতৰ্কিত ৱাশ্বাৰীটো চলোৱাত বাধা দিয়ে। পৰিৱেশ মন্ত্ৰালয়, বিদ্যুৎ বিভাগ, বাণিজ্যিক কৰ বিভাগৰ অনুমোদনকে ধৰি ৱাশ্বাৰী চলোৱাৰ বাবে প্ৰয়োজনীয় সকলো অনুমোদন লাভ কৰা বুলি আবেদনকাৰীয়ে কৰা দাবীৰ **ওপৰত কোনো প্ৰতিবাদীয়ে কোনো ধৰণৰ আপত্তি কৰা নাই ।** সেয়েহে, এই আদালতৰ মতে, আবেদনকাৰী কোম্পানীয়ে উক্ত আবেদনত কৰা প্ৰাৰ্থনাটি কিছু চৰ্ত সাপেক্ষে মঞ্জুৰ কৰাৰ যোগ্য ।

৯) পূৰ্বত উল্লেখিত কাৰণসমূহৰ বাবে আবেদনখন আংশিকভাৱে সফল হৈছে । ইয়াৰ দ্বাৰা সংযুক্ত আৰু অন্যান্য গ্ৰাহকৰ হৈ তেওঁলোকৰ নিৰ্দেশনা/অনুৰোধৰ ভিত্তিত আবেদনকাৰীৰ ৱাশ্বাৰীৰ কয়লাৰ যোগান আৰম্ভ কৰিবলৈ আৰু চলাচলৰ পাৰপত্ৰ/বিলিকৰণৰ

আদেশ জাৰি কৰিবলৈ মেচাৰ্ছ চাউথ ইষ্টাৰ্ণ ক'ল ফিল্ড লিমিটেডক নিৰ্দেশ দিয়া হয় । স্পষ্ট কৰা হয় যে এই অন্তৰ্ৱৰ্তীকালীন সকাহৰ অনুদান বিলাসপুৰৰ চত্তিশগড় উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ থকা ২০০৮ চনৰ দেৱানী গোচৰ নং ১-এ ৰ ফলাফলৰ অধীনত হ'ব। ইয়াৰোপৰি স্পষ্ট কৰা হয় যে যদিহে স্বত্বৰ বিষয়টো মেচাৰ্ছ চাউথ ইষ্টাৰ্ণ ক'ল ফিল্ড লিমিটেডৰ সপক্ষে যায় তেন্তে উক্ত কোম্পানীটোৱে আবেদনকাৰী কোম্পানীক ভূমি লিজত দিয়া বা উক্ত বিষয়টোৰ সন্দৰ্ভত আইনৰ অনুসৰি অন্যান্য পদক্ষেপ লোৱাৰ বাবে মুকলি হ'ব । ওপৰত উল্লেখিত স্পষ্টীকৰণ/পৰ্য্যৱেক্ষণ সমূহৰ অধীনত বিধিটোক চূড়ান্ত কৰা হ’ল। ব্যয়ৰ ক্ষেত্ৰত কোনো আদেশ নাথাকিব ।

আৰ. পি. আবেদনখনক আংশিকভাৱে মঞ্জুৰ কৰা হ’ল ।

----------------

অনুবাদক: মিথুপ্ৰিয়া বৰা, অধিবক্তা

পৰীক্ষক: মোবৰক হুছেইন, জ্যেষ্ঠ অনুবাদক